# মাজুলী জিলা আইন সেৱা প্ৰাধিকৰণ কাৰ্যালয়

## মাজুলী জিলাত ৰাষ্ট্ৰীয় লোক আদালত

### প্ৰেছ বিজ্ঞপ্তি

মাজুলী: ৰাষ্ট্ৰীয় আইন সেৱা প্ৰাধিকৰণৰ নিৰ্দেশ মতে অন্যান্য জিলা সমূহৰ লগতে মাজুলী জিলা আইন সেৱা প্ৰাধিকৰণৰ সৌজন্যত অহা ১৪ মে, ২০২২ তাৰিখে ৰাষ্ট্ৰীয় লোক আদালত অনুষ্ঠিত কৰাৰ লগতে ০২-০৫-২০২২ পৰা ১৩-০৫-২০২২ তাৰিখলৈকে প্ৰাক ৰাষ্ট্ৰীয় লোক আদালতৰ আয়োজন কৰা হৈছে । যিসকলে বৰ্তমানেও প্ৰাক লোক আদালতত অংশগ্ৰহণ কৰা নাই তেওঁলোকক অতি সোনকালে প্ৰাক লোক আদালতত ভাগ লবৰ বাবে আহ্বান কৰা হল । উক্ত লোক আদালতত বিভিন্ন আপোচ যোগ্য ফৌচদাৰী গোচৰ, বিবাহ জনিত গোচৰ, চেক বাউনচৰ গোচৰ, যান-বাহন আইন ১৯৮৮ অধিনৰ গোচৰ সমূহ নিস্পত্তিৰ দিহা কৰা হৈছে । ইয়াৰ উপৰিও বিভিন্ন বেংকৰ ঋণ আদায় সম্বন্ধীয়, বিজুলি বিল আদায় সম্বন্ধীয়, বি.এছ.এন.এল ফোনৰ বিল আদায় সম্বন্ধীয় প্ৰাক মোকৰ্দমা গোচৰ সমূহো মীমাংসাৰ বাবে লোৱা হ'ব। ইতিমধ্যে ম'হকুমা ন্যায়িক দণ্ডাধীশ, মাজুলীৰ আদালতত চলি থকা গোচৰ সমূহ নিদিষ্ট বাদি/বিবাদি সকলোলৈ নটিচ প্ৰেৰণ কৰা হৈছে । নটিচপ্ৰাপ্ত বাদী/বিবাদী সকলে আদালতলৈ আহি প্ৰাক লোক আদালতত ভাগ লব পাৰিব লগতে নিজৰ গোচৰ মীমাংসা কৰিব পাৰিব ।প্ৰাক লোকআদালতত মিমাংসা হোৱা গোচৰৰ বাদি/বিবাদিক অহা ১৪ মে, ২০২২ তাৰিখে অনুষ্ঠিত হব লগা ৰাষ্ট্ৰীয় লোক আদালতৰ দিনা আপোনালোকৰ সন্মতি লৈ আপোনাৰ গোচৰ চূড়ান্তৰূপে নিস্পত্তি কৰা হব । লগতে উক্ত আদালতৰ দ্বাৰা প্ৰাক মোকৰ্দমা গোচৰৰ গ্ৰাহক সকলোলৈকো নটিচৰ যোগেদি আহ্বান কৰা হৈছে যে ওপৰত উল্লেখ কৰা তাৰিখ সমূহৰ ভিতৰত বা নটিচৰ উল্লেখিত তাৰিখৰ ভিতৰত নিজৰ বেংক/ বি.এছ.এন.এল/ এ.পি.ডি.চি.এল. ৰ শাখালৈ গৈ কতৃপক্ষৰ লগত মীমাংসাৰ আলোচনা কৰিব পাৰিব । আপোনালকৰ নটিচত উল্লেখ থকা তাৰিখৰ উপৰিও কোনো বাদী-বিবাদী/গ্ৰাহকে যদি নটিচ গ্ৰহণ নকৰাকৈও ওপৰত উল্লেখ কৰা আদালতৰ গোচৰসমূহ আৰু প্ৰাক মোকৰ্দমা গোচৰৰ যদি নিস্পত্তি কৰিব বিচাৰে তেনেহলে তলত উল্লেখিত মোবাইল নম্বৰত অথবা মাজুলী জিলা আইন সেৱা প্ৰাধিকৰণৰ কাযালয়লৈ আহি যোগাযোগ কৰিব পাৰিব আৰু অনলাইন যোগাযোগ মাধ্যম হোৱাটচ এপ ভিডিঅ' কল আৰু গুগল মিট লিংক https://meet.google.com/wwu-mdit-gki ব্যৱহাৰ কৰি গোচৰ নিস্পত্তিৰ ব্যৱস্থা কৰা হৈছে । লোক আদালতৰ জৰিয়তে নিস্পত্তি হোৱা গোচৰসমূহৰ ক্ষেত্ৰত পৰৱৰ্তী পয্যায়ত কোনো ধৰণৰ আপিল আদিৰ ব্যৱস্থা নাই । সেয়েহে আগন্তক ৰাষ্ট্ৰীয় লোক আদালতত অংশগ্ৰহণ কৰি ন্যায় ব্যৱস্থাটো ত্বৰান্বিত কৰি তুলিবলৈ মাজুলী জিলা আইন সেৱা প্ৰাধিকৰণৰ অধক্ষ্য শ্ৰীযুত মৃদুল কুমাৰ কলিতা (এ.জে.এছ) আৰু সচিব শ্ৰীযুত দেৱজ্যোতি ভূঁঞা (এ.জে.এছ) সদৌতিৰ প্ৰতি আহ্বান জনাইছে । বিতং তথ্যৰ বাবে মাজুলী জিলা আইন সেৱা প্ৰাধিকৰণৰ ফ্ৰণ্ট অফিচ সমন্বয়ক ফোন নং ৭০০২৭১৭১৪৩ অথবা অফিচ ইমেইল আইদি dlsamajuli@gmail.com ত যোগাযোগ কৰিব পাৰিব ।

Dist. Legal Services Authority
Date.........
Majuli

Secretary
Dist. Legal Services Authority
MAJULI